অধ্যায় ৭ ঃ অসমীয়া ভাষাৰ ধ্বনিতত্ত্বৰ সৈতে বাংলা আৰু উড়িয়া ভাষাৰ তুলনা

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ চমু পৰিচয়

৭.৪ বাংলা ভাষাৰ ধ্বনিতত্ত্ব

৭.৫ উড়িয়া ভাষাৰ ধ্বনিতত্ত্ব

৭.৬ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ধ্বনিতত্ত্বৰ তুলনামূলক বিচাৰ

৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৮ অধিক জানিবলৈ

৭.৯ অগ্রগতিৰ খতিয়ান

৭.১০ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ উৎপত্তি আৰু মূল সম্পর্কে জানিব পাৰিব
- মাগধীয় ভাষাকেইটাৰ (অসমীয়া, বাংলা, উড়িয়া) স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ বিষয়ে জ্ঞান আহৰণ কৰিব পাৰিব
- অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ধ্বনিগত পার্থক্য আৰু সাদৃশ্যৰ বিষয়ে অৱগত হ'ব।

৭.২ পৰিচয়

ইয়াৰ পূর্বৱর্তী অধ্যায়টোত আপুনি অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ লগত সম্পর্কীত কেইটামান দিশ সম্পর্কে বহলাই অধ্যয়ন কৰিলে। প্রসংগক্রমে স্মৰণযোগ্য যে আপুনি এইখন পাঠ্যবিষয়ৰে দ্বিতীয় আৰু তৃতীয় অধ্যায়ত ধ্বনিতত্ত্বৰ সাধাৰণ আভাস লাভ কৰাৰ লগতে অসমীয়া ধ্বনিতত্ত্ব আৰু ৰূপধ্বনিগত পৰিবর্তন তথা অসমীয়া ভাষাৰ স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিৰ লগত পৰিচিত হ'ল। এই অধ্যায়টোত আমি অসমীয়া ভাষাৰ লগত বাংলা আৰু উড়িয়া ভাষাৰ ধ্বনিতাত্ত্বিক দিশৰ তুলনাত্মক আলোচনা কৰিম।

অসমীয়া, বাংলা আৰু উড়িয়া ভাৰতৰ তিনিটা উল্লেখযোগ্য প্রাদেশিক ভাষা। অসমীয়া

অসমৰ প্ৰধান ভাষা, বাংলা পশ্চিমবঙ্গ আৰু ত্ৰিপুৰাৰ চৰকাৰী ভাষা, উড়িয়া উৰিষ্যাৰ মুখ্য ভাষা। এই তিনিওটা ভাষা ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীৰ অধীনত স্বীকৃত ভাষা। বৰ্তমান ভিন্ন ঠাইৰ ভিন্ন ভাষা ৰূপে অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ প্ৰচলন হ'লেও ইয়াৰ মূল শিপাডাল বিচাৰি পোৱা যায় পৃথিৱীৰ বৃহৎ ভাষা-পৰিয়াল ইণ্ডো-ইউৰোপীয় ভাষা গোষ্ঠীৰ মাজত। একে মূলৰ পৰা উদ্ভৱ হোৱা সগোত্ৰীয় ভাষা হিচাপে ইহঁতৰ মাজত সাদৃশ্য থকাটো নিতান্তই স্বাভাৱিক। এনে ঘনিষ্ঠ সাদৃশ্যৰ বাবেই অসমীয়া ভাষা বাংলাৰ অপভ্ৰংশ ৰূপ বা বাংলাৰ উপভাষা বুলিও এটা সময়ত ভ্ৰান্ত ধাৰণা সৃষ্টি হৈছিল। কিন্তু ভাষাবিদসকলৰ যুক্তিভিত্তিক আলোচনাই সেই ধাৰণা নস্যাৎ কৰিলে আৰু অসমীয়াৰ স্বকীয়তাও প্ৰতিষ্ঠা কৰিলে। অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ মাজত ধ্বনিগত-ৰূপগত সাদৃশ্য আৰু পাৰ্থক্য দুয়োটাই বিদ্যমান। এই অধ্যায়ত ভগ্নীভাষা হিচাপে বৰ্তি থকা এই তিনিওটা ভাষাৰ ধ্বনিগত দিশৰ তুলনামূলক আলোচনা দাঙি ধৰা হ'ব।

৭.৩ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ চমু পৰিচয়

যোৱা ষাণ্মাসিক, অৰ্থাৎ দ্বিতীয় ষাণ্মাসিকৰ পাঠ্যবিষয় 'অসমীয়া ভাষা'ত আপুনি অধ্যয়ন কৰি আহিছে যে সমগ্ৰ পৃথিৱীতে বিভিন্ন ভাষাৰ প্ৰচলন আছে। ভাষাবিজ্ঞানীসকলে এই ভাষাসমূহৰ আকৃতি, প্ৰকৃতি, ইতিহাস আদি বিচাৰ কৰি কেইটামান ভাষা পৰিয়ালত বিভক্ত কৰিছে। তেনে ভাষা পৰিয়ালসমূহৰ ভিতৰত এটি উল্লেখযোগ্য ভাষা পৰিয়াল হ'ল ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়াল। এই ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ প্ৰধান শাখা ইণ্ডো-ইৰাণীয় বা আৰ্যৰ উপশাখা হ'ল 'ভাৰতীয় আৰ্য'। খ্ৰীঃ পূঃ পঞ্চদশ শতাব্দীমানৰ পৰাই আমি ভাৰতীয় আৰ্যভাষাৰ প্ৰাচীন সাহিত্যিক নিদৰ্শন দেখিবলৈ পাওঁ। তেতিয়াৰে পৰা কেইবাটাও স্তৰৰ মাজেদি ভাৰতীয় আৰ্যভাষাই ক্ৰমবিকশিত হৈ বৰ্তমান ভাৰতৰ বিভিন্ন অঞ্চলত প্ৰচলিত প্ৰায়খিনি আঞ্চলিক ভাষাৰ জন্ম দিছে। বিভিন্ন সময়ত হোৱা ৰূপগত, ধ্বনিগত আৰু বাক্যগত পৰিৱৰ্তনৰ ভিত্তিত ভাৰতীয় আৰ্যভাষাক তিনিটা প্ৰধান স্তৰত ভাগ কৰা হয়, যথা — (ক) প্ৰাচীন ভাৰতীয় আৰ্যভাষা, (খ) মধ্য ভাৰতীয় আৰ্যভাষা আৰু (গ) নব্য ভাৰতীয় আৰ্যভাষা। দৰাচলতে, প্ৰাচীন ভাৰতীয় আৰ্যৰ পৰা মধ্য ভাৰতীয় আৰ্য আৰু তাৰে পৰা নব্য ভাৰতীয় আৰ্যভাষাবোৰ ওলাইছে। অসমীয়া ভাষাৰ লগতে বাংলা আৰু উড়িয়া ভাষা নব্য ভাৰতীয় আৰ্যভাষাৰে অন্তৰ্গত।

সেই পাঠ্যবিষয়তেই আপুনি অধ্যয়ন কৰি আহিছে যে অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ মূল সম্পূৰ্ণ ৰূপে একে। অৱশ্যে অসমীয়া ভাষাৰ এই জন্মক্ৰম সকলো ভাষাবিদে স্বীকাৰ কৰি লোৱা নাই। ভাষাবিদ গ্ৰীয়াৰ্চন, সুনীতি কুমাৰ চট্টোপাধ্যায় আৰু বাণীকান্ত কাকতিৰ মতে মাগধী প্ৰাকৃতৰ পৰাই অসমীয়া ভাষাৰ জন্ম হৈছে। দেবানন্দ ভৰালীৰ মতে অসমীয়া ভাষাৰ মূল কামৰূপী আৰু সৌমাৰ প্ৰাকৃত। বেণী মাধৱ বৰুৱা আৰু ডিম্বেশ্বৰ নেওগৰ মতেও অসমীয়া ভাষা কামৰূপী প্ৰাকৃতৰ পৰাহে জন্ম হৈছে। কালিৰাম মেধিৰ মতে আকৌ শৌৰসেনী আৰু মাগধী প্ৰাকৃতৰ মিশ্ৰণৰ ফলতে অসমীয়া ভাষাৰ জন্ম। কনকলাল বৰুৱাৰ মতে পৈশাচী প্ৰাকৃতেই

অসমীয়া ভাষাৰ মূল। অসমীয়া ভাষাৰ উদ্ভৱৰ ক্ষেত্ৰত এনে ভিন্ন মত থাকিলেও অধিকাংশ পণ্ডিতে অৱশ্যে মাগধী প্ৰাকৃতৰ পৰা অসমীয়াৰ জন্মৰ মতকে স্বীকাৰ কৰিছে। অন্যান্য আধুনিক ভাৰতীয় আৰ্য ভাষাবোৰৰ দৰে অসমীয়া ভাষাইও খ্ৰীঃ দশম শতিকাৰ পৰাই সুকীয়া ৰূপ ল'বলৈ ধৰে যদিও অসমীয়া ভাষাৰ প্ৰথম সাহিত্যিক নিদৰ্শন হ'ল খ্ৰীষ্টাব্দ চতুৰ্দশ শতিকাৰ হেম সৰস্বতীৰ *প্ৰহ্লাদ চৰিত*। সেয়েহে বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ যুগ বিভাজন কৰোঁতে প্ৰাক্ শংকৰী যুগৰ পৰা আৰম্ভ কৰি অসমীয়া ভাষাৰ ইতিহাসক প্ৰাচীন, মধ্য আৰু আধুনিক— এই তিনিটা ভাগত বিভক্ত কৰিছে। কিন্তু ৰমেশ পাঠকে *অসমীয়া ভাষাৰ ইতিহাস*ত উদ্ভৱকালৰ নিদৰ্শন যেনে— তাম্ৰফলি, শিলালিপি, চৰ্যাপদ, শ্ৰীকৃষ্ণ-কীৰ্ত্তন আদিকো সামৰি অসমীয়া ভাষাৰ বিকাশৰ ধাৰাটোক চাৰিটা ভাগত বিভক্ত কৰিছে। তেওঁ কাকতিৰ তিনিটা ভাগৰ উপৰিও সপ্তমৰ পৰা দ্বাদশ শতিকালৈকে সামৰি 'উদ্ভৱ কালৰ অসমীয়া বা প্ৰত্ন অসমীয়া ভাষা' নামৰ এটা যুগ প্ৰথমেই অন্তৰ্ভুক্ত কৰিছে। প্ৰাচীন অসমীয়া ভাষা-সাহিত্যৰ যুগটো খ্ৰীঃ ত্ৰয়োদশৰ পৰা ষোড়শ শতিকালৈ, মধ্য অসমীয়া ভাষা-সাহিত্যৰ যুগটো সোতৰ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ আৰম্ভণিলৈ আৰু আধুনিক অসমীয়া ভাষা-সাহিত্যৰ যুগটো ঊনবিংশ শতিকাৰ পৰা যুদ্ধোত্তৰ স্তৰলৈকে বুলি তেওঁ দেখুৱাইছে। এই সম্পৰ্কে বিস্তৃতভাৱে আপুনি ইতিমধ্যে অধ্যয়ন কৰিয়েই আহিছে। এইটো অধ্যায়ৰ বাবেও আপুনি সেইখন পাঠ্যবিষয় অধ্যয়ন কৰাটো বাধ্যতামূলক।

বাংলা ভাষাৰ ইতিহাসক ইয়াৰ সাহিত্যিক নিদৰ্শনৰ ওপৰত নিৰ্ভৰ কৰি তিনিটা প্ৰধান ভাগত ভাগ কৰা হৈছে—

- প্ৰাচীন বাংলা (খ্ৰীঃ দশম — খ্ৰীঃ দ্বাদশ শতিকা)
- মধ্য বাংলা (খ্ৰীঃ ত্ৰয়োদশ — খ্ৰীঃ ঊনবিংশ শতিকা)
- আধুনিক বাংলা (খ্ৰীঃ ঊনবিংশ শতিকাৰ পৰা বৰ্তমানলৈকে)

প্ৰাচীন বাংলা ভাষা সাহিত্যৰ যুগটোৰ নিদৰ্শন হিচাপে চৰ্যাপদসমূহক ধৰা হৈছে। অৱশ্যে চৰ্যাপদে কেৱল বাংলা ভাষাৰে প্ৰতিনিধিত্ব নকৰে। ইয়াৰ লগতে এইসমূহ অসমীয়া, উড়িয়া আদি ভাষাৰো প্ৰত্ন ৰূপৰ নিদৰ্শন স্বৰূপ। মধ্য বাংলাৰ দুটা উপস্তৰ দেখুওৱা হৈছে— আদি মধ্য বাংলা আৰু অন্ত মধ্য বাংলা। প্ৰথম স্তৰৰ নিদৰ্শন হিচাপে বড়ু চণ্ডীদাসৰ *শ্ৰীকৃষ্ণ কীৰ্ত্তন*ৰ উপৰি মালাধৰ বসু, বিজয় গুপ্ত আদি সাহিত্যিকৰ ভাষাক দেখুওৱা হৈছে। দ্বিতীয় উপস্তৰৰ নিদৰ্শন হৈছে বৈষ্ণৱ পদাৱলী, মঙ্গল কাব্য আদি। আধুনিক বাংলা ভাষাৰ সময় ঊনবিংশ শতিকাৰ পাৰ দেখুওৱা হৈছে যদিও প্ৰকৃতাৰ্থত অষ্টাদশ শতিকাৰ শেষাৰ্ধৰ পৰাই ইয়াৰ উন্মেষ ঘটে বুলি ক'ব পৰা যায়। বঙ্গিমচন্দ্ৰ, ৰবীন্দ্ৰনাথ, শৰৎ চন্দ্ৰ, বিভূতিভূষণ আদি হ'ল আধুনিক বাংলাৰ প্ৰাণ প্ৰতিষ্ঠাতা। অসমীয়া ভাষাৰ দৰেই বাংলা ভাষাতো উপভাষাৰ অৱস্থিতি লক্ষ্য কৰা যায়। সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ মতে বাংলা ভাষাৰ উপভাষা চাৰিটা—

- ৰাঢ়
- বাৰেন্দ্ৰ
- কামৰূপী
- বঙ্গ

পৰৱৰ্তী সময়ৰ কোনো কোনো ভাষাবিদে এই চাৰিটাৰ সৈতে ঝাৰখণ্ডী নামেৰে আন

এটা উপভাষাকো অন্তর্ভুক্ত কৰি বাংলা ভাষাৰ পাঁচটা উপভাষাৰ কথা ক'ব বিচাৰে।

অসমীয়া আৰু বাংলাৰ দৰেই পূব মাগধী অপভ্রংশৰ পৰা উদ্ভূত উড়িয়া ভাষাটোও যথেষ্ট ঐতিহ্যপূর্ণ আৰু সমৃদ্ধিশালী। ইতিহাস বিচাৰ কৰিলে এই ভাষাৰ সাহিত্যিক ধাৰাবাহিকতা খ্রীষ্টিয় নৱম শতিকাৰ পৰাই আৰম্ভ হোৱা দেখা যায়। পণ্ডিতসকলে উড়িয়া ভাষা-সাহিত্যৰ যুগ বিভাজন তলত দিয়াৰ দৰে দেখুৱাইছে—

- প্রাক্ শাৱলা যুগ (খ্রীঃ নৱম — চতুর্দশ শতিকা)
- শাৱলা যুগ (খ্রীঃ পঞ্চদশ — ষোড়শ শতিকা)
- পঞ্চসখা যুগ (খ্রীঃ ষোড়শ — সপ্তদশ শতিকা)
- ৰীতি যুগ (খ্রীঃ সপ্তদশ — ঊনবিংশ শতিকা)
- আধুনিক যুগ (খ্রীঃ ঊনবিংশৰ পৰা বর্তমানলৈ)

প্রাক্ শাৱলা যুগৰ স্বাক্ষৰ বহনকাৰী সাহিত্য হ'ল চর্যাগীতসমূহ। শাৱলা যুগৰ প্রধান কীর্তিস্তম্ভ হ'ল শাৱলা দাসৰ *মহাভাৰত*। পঞ্চসখা যুগৰ পঞ্চসখা হ'ল— বলৰাম, জগন্নাথ, অচ্যুত, অনন্ত আৰু যশোৱন্ত। এই পাঁচজন প্রখ্যাত সাহিত্যিকৰ সাহিত্যৰাজিয়ে এই যুগৰ উড়িয়া সাহিত্যিক ঐশ্বর্যময় কৰি তুলিছে। ৰীতি যুগত উড়িয়া সাহিত্যই গদ্যৰ ক্ষেত্রত নতুন গতি লাভ কৰে। আমেৰিকান মিছনেৰীৰ উদ্যোগত এই সময়ছোৱাতে ছপাশাল প্রতিষ্ঠা হয় আৰু বিভিন্ন কাকত-আলোচনীয়ে ভাষা-সাহিত্যৰ বিকাশত বিশেষ ভূমিকা গ্রহণ কৰে। আধুনিক উড়িয়া ভাষা কবিতা, চুটি গল্প, উপন্যাস আদি সকলো ফালৰ পৰাই চহকী। ভাষাবিদ ফণীন্দ্র নাৰায়ণ দত্তবৰুৱাই *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya* নামৰ গৱেষণা গ্রন্থখনত দেখুৱাইছে যে উড়িয়া ভাষাৰ উপভাষা প্রধানকৈ চাৰিটা— দক্ষিণ উৰিষ্যাৰ উপভাষা, পশ্চিম উৰিষ্যাৰ উপভাষা, উত্তৰ উৰিষ্যাৰ উপভাষা, মধ্য উৰিষ্যাৰ উপভাষা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বাংলা ভাষাৰ ইতিহাসক ইয়াৰ সাহিত্যিক নিদর্শনৰ ওপৰত নির্ভৰ কৰি প্রধানতঃ কেইটা আৰু কি কি ভাগত ভাগ কৰা হৈছে?

.....

.....

প্রশ্ন নং ২ ঃ পণ্ডিতসকলে উড়িয়া ভাষা-সাহিত্যৰ যুগ বিভাজন কেনেদৰে কৰিছে?

.....

.....

৭.৪ বাংলা ভাষাৰ ধ্বনিতত্ত্ব

মাগধী প্রাকৃতৰ পৰা উদ্ভৱ হোৱা অন্যান্য ভাষাৰ দৰেই বাংলা ভাষায়ো ধ্বনিতাত্ত্বিক

দিশত নিজস্ব বৈশিষ্ট্য বহন কৰিছে। স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি দুয়োটাৰে উচ্চাৰণ আৰু প্ৰয়োগ এই দুয়ো ক্ষেত্ৰতে বাংলাৰ স্বকীয় কিছু দিশ পৰিলক্ষিত হয়।

- **স্বৰধ্বনি ঃ** বাংলা ভাষাৰ স্বৰধ্বনি সাতটা— ই, এ', এ, আ, উ, ও, অ। অসমীয়া ভাষাত উচ্চাৰিত অ' স্বৰধ্বনি বাংলাত পোৱা নাযায়। বাংলা ভাষাত উচ্চাৰিত স্বৰধ্বনি সাতোটা হ'লেও লিপিমালাত আখৰ আছে এঘাৰটা। অ, আ, ই, ঈ, উ, ঊ, ঋ, এ, ঐ, ও, ঔ— এই এঘাৰটা আখৰ সংস্কৃতৰ আৰ্হিত বাংলা ভাষাত প্ৰচলন আছে। আনহাতে আখৰমালাত নথকা এ' স্বৰধ্বনিৰ উচ্চাৰণ আৰু প্ৰয়োগ বাংলাত পোৱা যায়। তদুপৰি সংস্কৃতৰ অনুগামী আখৰৰ ব্যৱহাৰ থাকিলেও ইয়াত সংস্কৃতত থকাৰ দৰে স্তৰৰ হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্য নাই। ই, ঈ, দুটা লিখিত ৰূপৰ পৰিৱৰ্তে কেৱল 'ই' আৰু 'উ'হে উচ্চাৰিত হয়। ঋ ধ্বনিৰ উচ্চাৰণ হয় 'ৰি' ৰূপে। ঐ আৰু ঔ ক্ৰমে অ + ই আৰু অ + উ-ৰ সংযুক্ত ৰূপ। বাংলা ভাষাৰ সাতটা বিশিষ্ট স্বৰধ্বনিক জিভাৰ অংশ অনুসৰি সন্মুখ, কেন্দ্ৰীয় আৰু পশ্চ— এই তিনিটা ভাগত বিভক্ত কৰা হৈছে। আনহাতে জিভাৰ উচ্চতা আৰু মুখ বিবৰৰ বিস্তৃতি অনুসৰি এইসমূহক ক্ৰমে উচ্চ আৰু সংবৃত, উচ্চমধ্য আৰু অৰ্দ্ধ সংবৃত, নিম্নমধ্য আৰু অৰ্দ্ধাবিবৃত, নিম্ন আৰু বিবৃত— এই চাৰিটা শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হৈছে। বাংলা ভাষাৰ স্বৰধ্বনিসমূহক তালিকাৰ দ্বাৰা এনেদৰে দেখুৱাব পাৰি—

তালিকা ৭.১ ঃ বাংলা ভাষাৰ স্বৰধ্বনি

	সন্মুখ	কেন্দ্ৰীয়	পশ্চ
উচ্চ আৰু সংবৃত	ই		উ
উচ্চ মধ্য আৰু অৰ্দ্ধ সংবৃত	এ'		ও
নিম্ন মধ্য আৰু অৰ্দ্ধ বিবৃত	এ		অ
নিম্ন আৰু বিবৃত		আ	

বাংলা ভাষাৰ স্বৰবৰ্ণ ভাষাত থকা আখৰসমূহৰ বিপৰীতে একোটা গৌণৰূপ বা স্বতন্ত্ৰ চিন আছে। সেইসমূহ হৈছে—

আখৰ	**গৌণ প্ৰতীক**
অ	চিনৰ ব্যৱহাৰ নাই
আ	া
ই	ি
ঈ	ী
উ	ু
ঊ	ূ
ঋ	ৃ
এ	ে
ঐ	ৈ

ও	ো
ঔ	ৌ

বাংলা ভাষাৰ বিশিষ্ট স্বৰধ্বনিসমূহৰ উচ্চাৰণ বৈশিষ্ট্যৰ বিৱৰণ এনে ধৰণৰ—

/ই/	—	সন্মুখ, উচ্চ, সংবৃত স্বৰধ্বনি
/এ'/	—	সন্মুখ, উচ্চমধ্য, অৰ্দ্ধসংবৃত স্বৰধ্বনি
/এ/	—	সন্মুখ, নিম্নমধ্য, অৰ্দ্ধবিবৃত স্বৰধ্বনি
/উ/	—	পশ্চ, উচ্চ, সংবৃত স্বৰধ্বনি
/ও/	—	পশ্চ, উচ্চমধ্য, অৰ্দ্ধসংবৃত স্বৰধ্বনি
/অ/	—	পশ্চ, নিম্নমধ্য, অৰ্দ্ধসংবৃত স্বৰধ্বনি
/আ/	—	কেন্দ্রীয়, নিম্ন, বিবৃত স্বৰধ্বনি

বাংলা ভাষাৰ এই বিশিষ্ট স্বৰধ্বনিকেইটাৰ আদ্য, মধ্য আৰু অন্ত্য প্রয়োগ উদাহৰণৰ সৈতে দাঙি ধৰা হ'ল—

বিশিষ্ট ধ্বনি	**আদ্য প্রয়োগ**	**মধ্য প্রয়োগ**	**অন্ত্য প্রয়োগ**
/ই/	ইহ	তিনি	ওখানেই
/এ'/	একদা	ফেনিল	নাদে
/এ/	এখন	বলেন	শৈশবে
/আ/	আসন্নতা	তাপ	আকাশটা
/উ/	উল্লেখ	দুটি	তবু
/ও/	ওটিকে	ভোগ	নিজেও
/অ/	অনেক	এসবকে	কেন

বাংলা ভাষাৰ স্বৰবৰ্ণৰাজিৰ ব্যৱহাৰ বৈশিষ্ট্যপূৰ্ণ। শব্দৰ আদি স্থানত ইয়াৰ প্রয়োগ হয়। কিন্তু শব্দৰ মাজত ব্যঞ্জনবৰ্ণৰ পাছত থাকিলে স্বৰৰ ৰূপ সলনি হয় আৰু বিশেষ চিন ৰূপে পূৰ্বৰ ব্যঞ্জনৰ লগত যোগ হয়।

বাংলা ভাষাত দ্বিস্বৰ ধ্বনিৰ ব্যৱহাৰ হোৱা দেখা যায়। সংস্কৃতৰপৰা অহা 'ঐ' আৰু 'ঔ'ৰ উপৰি ইয়াত আন কেইবাটাও দ্বিস্বৰৰ প্রয়োগ আছে। যেনে—

ইআ	—	আসিয়া
এই	—	নেই
এও	—	গেও
জাই	—	খাই
ইও	—	নিও
এউ	—	কেউ
আউ	—	পাউ
উই	—	দুই



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ বাংলা ভাষাৰ বিশিষ্ট স্বৰধ্বনি আৰু আখৰৰ মাজত কিবা পার্থক্য আছেনে?

.....

- **ব্যঞ্জনধ্বনি ঃ** বাংলা ভাষাৰ ব্যঞ্জন বর্ণমালাত সর্বমুঠ আখৰ আছে ৩৮টা। সংস্কৃতৰ পৰা পোৱা এই আখৰসমূহৰ সমানুপাতে ব্যঞ্জনৰ উচ্চাৰণ পিছে বাংলাত পোৱা নাযায়। বাংলা ভাষাৰ ব্যঞ্জন বর্ণমালাত থকা আখৰসমূহ হৈছে—

ক	খ	গ	ঘ	ঙ
চ	ছ	জ	ঝ	ঞ
ট	ঠ	ড	ঢ	ণ
ত	থ	দ	ধ	ন
প	ফ	ব	ভ	ম
য	র	ল		
শ	ষ	স	হ	
ড়	ঢ়	য়		
ং	ঃ	ঁ		

বাংলা ভাষাত 'ৱ'ৰ প্রয়োগ নাই। কোনো কোনোৱে দুটা 'ব' অন্তর্ভুক্ত কৰি দেখুৱাই যদিও অদ্ধস্বৰ 'ৱ'ৰ স্বতন্ত্র উচ্চাৰণ পোৱা নাযায়। 'ক্ষ' বর্ণটো 'ক+য'ৰ সংযুক্ত ৰূপ।

বাংলা বর্ণলিপিৰ এই আখৰসমূহৰ বিপৰীতে উচ্চাৰিত বিশিষ্ট ব্যঞ্জনৰ সংখ্যা কেৱল সাতাইশটা। এই ভাষাত উচ্চাৰণ স্থান অনুসৰি সাত প্রকাৰৰ আৰু উচ্চাৰণৰ ধৰণ অনুসৰি ছয় প্রকাৰৰ বিশিষ্ট ব্যঞ্জন আছে। বাংলা ভাষাৰ বিশিষ্ট ব্যঞ্জনসমূহৰ এখন তালিকা দাঙি ধৰা হ'ল—

তালিকা ৭.২ ঃ বাংলা ভাষাৰ ব্যঞ্জনধ্বনি

		দৌষ্ঠ		দন্ত্য		দন্তমূলীয়		মূর্দ্ধন্য		দন্তমূলীয়		কণ্ঠ্য		কণ্ঠনলীয়	
স্পর্শ	অল্পপ্রাণ	প	ব	ত	দ			ট	ড			ক	গ		
	মহাপ্রাণ	ফ	ভ	থ	ধ			ঠ	ঢ	ছ	ঝ	খ	ঘ		
ঘৃষ্ট										চ	জ				
উষ্ম										শ					হ
নাসিক্য			ম				ন					ঙ			
কম্পিত							র								
পার্শ্বিক							ল								

তালিকাত অন্তর্ভুক্ত কৰা বিশিষ্ট ব্যঞ্জনসমূহৰ উচ্চাৰণ বৈশিষ্ট্যৰ বিৱৰণ এনে ধৰণৰ—

/প/ — দ্বৌষ্ঠ, স্পর্শ, অল্পপ্রাণ, অঘোষ
/ফ/ — দ্বৌষ্ঠ, স্পর্শ, মহাপ্রাণ, অঘোষ
/ব/ — দ্বৌষ্ঠ, স্পর্শ, অল্পপ্রাণ, সঘোষ
/ভ/ — দ্বৌষ্ঠ, স্পর্শ, মহাপ্রাণ, সঘোষ
/ত/ — দন্ত্য, স্পর্শ, অল্পপ্রাণ, অঘোষ
/থ/ — দন্ত্য, স্পর্শ, মহাপ্রাণ, অঘোষ
/দ/ — দন্ত্য, স্পর্শ, অল্পপ্রাণ, সযেঘাষ
/ধ/ — দন্ত্য, স্পর্শ, মহাপ্রাণ, সঘোষ
/ট/ — মূর্দ্ধন্য, স্পর্শ, অল্পপ্রাণ, অঘোষ
/ঠ/ — মূর্দ্ধন্য, স্পর্শ, মহাপ্রাণ, অঘোষ
/ড/ — মূর্দ্ধন্য, স্পর্শ, অল্পপ্রাণ, সঘোষ
/ঢ/ — মূর্দ্ধন্য, স্পর্শ, মহাপ্রাণ, সঘোষ
/ছ/ — দন্তমূলীয় তালব্য, স্পর্শ মহাপ্রাণ, অঘোষ
/ঝ/ — দন্তমূলীয় তালব্য, স্পর্শ, মহাপ্রাণ, সঘোষ
/ক/ — কণ্ঠ্য, স্পর্শ অল্পপ্রাণ, অঘোষ
/খ / — কণ্ঠ্য, স্পর্শ মহাপ্রাণ, অঘোষ
/গ / — কণ্ঠ্য, স্পর্শ অল্পপ্রাণ, সঘোষ
/ঘ/ — কণ্ঠ্য, স্পর্শ মহাপ্রাণ, সঘোষ
/চ/ — দন্তমূলীয় তালব্য, ঘৃষ্ট, অঘোষ
/জ/ — দন্তমূলীয় তালব্য, ঘৃষ্ট, সঘোষ
/শ / — দন্তমূলীয় তালব্য, উষ্ম, সঘোষ
/হ/ — কণ্ঠনালীয় উষ্ম, সঘোষ
/ম/ — দ্বৌষ্ঠ, নাসিক্য, সঘোষ
/ন / — দন্তমূলীয়, নাসিক্য, সঘোষ
/ভ / — কণ্ঠ্য, নাসিক্য, সঘোষ
/ৰ/ — দন্তমূলীয়, কম্পিত, সঘোষ
/ল / — দন্তমূলীয়, পাৰ্শ্বিক, সঘোষ

বাংলা ভাষাত ‘য়’ অর্দ্ধস্বৰৰ উচ্চাৰণ ‘ইঅ’ৰ দৰে কৰা হয়। শব্দৰ আদিস্থানত ইয়াৰ প্রয়োগ নহয়। ৰ, ড়, ঢ়— এই তিনিওটাৰে উচ্চাৰণ একেই। ং হ’ল ‘ঙ’ৰ বিকল্প ৰূপ, ৎ হ’ল ব্যঞ্জনান্ত ‘ত’ৰ এক ৰূপ। ‘ঃ’ আৰু ‘ঁ’ আন ধ্বনিৰ লগত মিলি উচ্চাৰিত হয়। বাংলা ভাষাৰ বিশিষ্ট ব্যঞ্জনসমূহৰ আদ্য-মধ্য-অন্ত্য প্রয়োগ উদাহৰণসহ তলত দেখুওৱা হ’ল—

বিশিষ্ট ব্যঞ্জন	আদ্য প্রয়োগ	মধ্য প্রয়োগ	অন্ত্য প্রয়োগ
/প/	পর	অপর	বিলাপ
/ফ/	ফেলে	সাফাই	- লাফ্
/ব/	বাউল	আবার	ডাব
/ভ/	ভাল	কভু	লাভ
/ত/	তিন	গতি	অপরাজিত
/থ/	থাম	পথিক	পথ
/দ/	দিক	আলাদা	চাঁদ
/ধ/	ধনী	বাঁধা	বধ
/ট/	টাকা	সেটা	লুট
/ঠ/	ঠাকুরমা	উঠছে	মাঠ
/ড/	ডেকে	কালডা	
/ঢ/	ঢুকে	বর্ণাঢ্য	
/ছ/	ছেলে	বচ্ছর	কাছ
/ঝ/	ঝিনুক	বুঝি	মাঝ
/ক/	কেবল	পাকা	ঠিক
/খ/	খোকা	তখন	অসুখ
/গ/	গাছ	আগু	দাগ
/ঘ/	ঘটনা	ঘাঘু	বাঘ
/চ/	চরিত্র	বিচিত্র	পাঁচ
/জ/	জিনিস	সহজাত	বীজ
/শ/	শুরু	আশা	উনিশ
/হ/	হেথা	যাহা	দেহ
/ম/	মানুষ	তেমনি	চরম
/ন/	নেওয়া	রচনা	নতুন
/ঙ/		রাঙা	সঙ
/র/	রূপরেখা	এরপবে	ঘর
/ল/	লীলা	অনলস	আদল



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ বাংলা ভাষাৰ 'য়' অৰ্দ্ধস্বৰৰ উচ্চাৰণ কেনে হয়?

.....

৭.৫ উড়িয়া ভাষাৰ ধ্বনিতত্ত্ব

অসমীয়া, বাংলা আদি অন্যান্য মাগধীয় ভাষাসমূহৰ দৰে উড়িয়া ভাষাৰো স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ নিজস্ব বৈশিষ্ট্য আছে। পূৰ্বৰ সংস্কৃতৰ তুলনাত উড়িয়াৰ ধ্বনিতত্ত্ব যথেষ্ট সৰল হ'ল। উড়িয়া ভাষাৰ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ আলোচনা দাঙি ধৰা হ'ল—

- **স্বৰধ্বনি ঃ** সংস্কৃত ভাষাৰ আৰ্হিৰে উড়িয়া ভাষাত মুঠ স্বৰবৰ্ণৰ সংখ্যা হ'ল এঘাৰটা। সেইসমূহ হৈছে— অ, আ, ই, ঈ, উ, ঊ, ঋ (ৰু), এ, ঐ, ও, ঔ। বৰ্ণমালাত এই এঘাৰটা আখৰ থকাৰ বিপৰীতে উড়িয়া ভাষাত উচ্চাৰিত বিশিষ্ট স্বৰধ্বনি হ'ল ছটা— অ, আ, ই, উ, ও আৰু এ। আখৰমালাত থকা 'ই আৰু ঈ' আৰু 'উ আৰু ঊ'ৰ উচ্চাৰণৰ পাৰ্থক্য নাই। ঐ আৰু ঔ ক্ৰমে অ+ই' আৰু 'আ+উ'ৰ সংযুক্ত। 'ঋ' ধ্বনি উড়িয়াত 'ৰু' ৰূপে উচ্চাৰিত হয়। উড়িয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিকেইটাক জিভাৰ অংশ অনুযায়ী সন্মুখ, কেন্দ্ৰীয় আৰু পশ্চ এই তিনিটা ভাগত ভাগ কৰা হৈছে। জিভাৰ উচ্চতা আৰু মুখবিবৰৰ বিস্তৃতি অনুযায়ী এইসমূহক ক্ৰমে উচ্চ আৰু সংবৃত, উচ্চমধ্য আৰু অৰ্দ্ধসংবৃত, নিম্ন আৰু বিবৃত— এইকেইটা ভাগত ভাগ কৰা হৈছে। উড়িয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিৰ তালিকাখন দাঙি ধৰা হ'ল—

তালিকা ৭.৩ ঃ উড়িয়া ভাষাৰ স্বৰধ্বনি

	সন্মুখ	কেন্দ্ৰীয়	পশ্চ
উচ্চ আৰু সংবৃত	ই		উ
উচ্চমধ্য আৰু অৰ্দ্ধসংবৃত	এ		ও
নিম্ন আৰু বিবৃত		আ	অ

তালিকাত অন্তৰ্ভুক্ত হোৱা উড়িয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিসমূহৰ ধ্বনিগত উচ্চাৰণ বৈশিষ্ট্যৰ বিৱৰণ তলত আগবঢ়োৱা হ'ল—

/ই/ — সন্মুখ, উচ্চ, সংবৃত
/এ/ — সন্মুখ, উচ্চ মধ্য, অদ্ধসংবৃত
/আ/ — কেন্দ্ৰীয়, নিম্ন, বিবৃত
/উ/ — পশ্চ, উচ্চ, সংবৃত
/ও/ — পশ্চ, উচ্চমধ্য, অৰ্দ্ধসংবৃত
/অ/ — পশ্চ, নিম্ন, বিবৃত

উড়িয়া ভাষাৰ স্বৰধ্বনিসমূহৰ আদ্য - মধ্য - অন্ত্য— তিনিওটা স্থানতে প্ৰয়োগ হয়। এই ধ্বনিসমূহৰ প্ৰয়োগৰ নিদৰ্শন দাঙি ধৰা হ'ল—

বিশিষ্ট ধ্বনি	আদ্য প্ৰয়োগ	মধ্য প্ৰয়োগ	অন্ত্য প্ৰয়োগ
/ই/	ইটা	খিল	আজি
/এ/	এলা	খেল	কেতে

/আ/	আঠ	খাল	ফটা
/উ/	উঠ	কুল	আলু
/ও/	ওঁঠ	খোল	মো
/অ/	অটা	খল	কাস

ওপৰত উল্লেখ কৰা এই সকলোবোৰ স্বৰধ্বনিৰে নাসিকীভৱন হ'ব পাৰে। কিন্তু 'এ' আৰু 'ও'ৰ নাসিকীভৱন কিছু সীমিতভাৱে হয়। উড়িয়া ভাষাৰ স্বৰমালাত থকা আখৰসমূহৰ বিপৰীতে গৌণ প্ৰতীকৰ ব্যৱহাৰ আছে। সেইসমূহ তলত দেখুওৱা হ'ল—

আখৰ	**গৌণ প্ৰতীক**
অ	গৌণ প্ৰতীক নাই
আ	া
ই	ি
ঈ	ী
উ	ু
ঊ	ূ
ঋ	ৃ
এ	ে
ঐ	ৈ
ও	ো
ঔ	ৌ



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ উড়িয়া ভাষাৰ /আ/ ধ্বনিটোৰ উচ্চাৰণ কেনে?

.....

- **ব্যঞ্জন ধ্বনি ঃ** উড়িয়া ভাষাৰ আখৰমালাত থকা ব্যঞ্জন বৰ্ণৰ সংখ্যা ৩৯টা। কিন্তু আখৰৰ ৰূপত প্ৰয়োগ হোৱা সকলোবোৰ ব্যঞ্জনৰে উচ্চাৰণ ভাষাটোত পোৱা নাযায়। উড়িয়া ব্যঞ্জন বৰ্ণমালাৰ আখৰসমূহ হ'ল—

ক	খ	গ	ঘ	ঙ
চ	ছ	জ	ঝ	ঞ
ট	ঠ	ড	ঢ	ণ
ত	থ	দ	ধ	ন
প	ফ	ব	ভ	ম

য ৰ ল ৱ ল়

শ ষ স হ ক্ষ

য় ং ঃ ঁ

লিখিত ৰূপৰ এই ব্যঞ্জনসমূহৰ বিপৰীতে উড়িয়া ভাষাত উচ্চাৰিত ব্যঞ্জনৰ সংখ্যা ৩১টা। মূর্দ্ধন্য বর্গৰ ধ্বনিৰ স্পষ্ট উচ্চাৰণ এই ভাষাৰ উল্লেখযোগ্য বৈশিষ্ট্য। এই ভাষাত দুটা 'ল' ধ্বনিৰ উচ্চাৰণ আছে।

উড়িয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহৰ উচ্চাৰণৰ স্থান, ধৰণ আৰু ধ্বনিগুণৰ ভিত্তিত যুগুত কৰা এখন তালিকা উল্লেখ কৰা হ'ল—

তালিকা ৭.৪ ঃ উড়িয়া ভাষাৰ ব্যঞ্জনধ্বনি

		দৌষ্ঠ		দন্ত্য		দন্তমূলীয়		মূর্দ্ধন্য		দন্তমূলীয়		কণ্ঠ্য বা পশ্চতালব্য		কণ্ঠনলীয়	
স্পর্শ	অল্পপ্রাণ	প	ব	ত	দ			ট	ড			ক	গ		
	মহাপ্রাণ	ফ	ভ	থ	ধ			ঠ	ঢ	ছ	ঝ	খ	ঘ		
ঘৃষ্ট										চ	জ				
উষ্ম							স								হ
নাসিক্য			ম				ন		ণ				ঙ		
কম্পিত							ৰ								
পার্শ্বিক							ল		ল়						
অর্দ্ধস্বৰ			ৱ								য়				

তালিকাত অন্তর্ভুক্ত উড়িয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহৰ উচ্চাৰণ বৈশিষ্ট্যৰ বিৱৰণ তলত আগবঢ়োৱা হ'ল—

/শ/ — দ্বৌষ্ঠ, স্পর্শ, অল্পপ্রাণ, অঘোষ

/ফ/ — দ্বৌষ্ঠ, স্পর্শ, মহাপ্রাণ, অঘোষ

/ব/ — দ্বৌষ্ঠ, স্পর্শ, অল্পপ্রাণ, সঘোষ

/ভ/ — দ্বৌষ্ঠ, স্পর্শ, মহাপ্রাণ, সঘোষ

/ত/ — দন্ত্য, স্পর্শ, অল্পপ্রাণ, অঘোষ

/থ/ — দন্ত্য, স্পর্শ, মহাপ্রাণ, অঘোষ

/দ/ — দন্ত্য, স্পর্শ, অল্পপ্রাণ, সঘোষ

/ধ/ — দন্ত্য, স্পর্শ, মহাপ্রাণ, সঘোষ

/ট/ — মূর্দ্ধন্য, স্পর্শ, অল্পপ্রাণ, অঘোষ

/ঠ/ — মূর্দ্ধন্য, স্পর্শ, মহাপ্রাণ, অঘোষ

/ড/ — মূর্দ্ধন্য, স্পর্শ, অল্পপ্রাণ, সঘোষ

/চ/ — মূর্দ্ধন্য, স্পর্শ, মহাপ্রাণ, সঘোষ
/ছ/ — তালব্য, স্পর্শ, মহাপ্রাণ, অঘোষ
/চ/ — তালব্য, ঘৃষ্ট, অঘোষ
/ঝ/ — তালব্য, স্পর্শ, মহাপ্রাণ, সঘোষ
/জ/ — তালব্য, ঘৃষ্ট, সঘোষ
/ক/ — কণ্ঠ্য, স্পর্শ , অল্পপ্রাণ, অঘোষ
/খ/ — কণ্ঠ্য, স্পর্শ , মহাপ্রাণ, অঘোষ
/গ/ — কণ্ঠ্য, স্পর্শ , অল্পপ্রাণ, সঘোষ
/ঘ/ — কণ্ঠ্য, স্পর্শ , মহাপ্রাণ, সঘোষ
/স/ — দন্তমূলীয়, উষ্ম, সঘোষ
/হ/ — কণ্ঠনালীয়, উষ্ম, সঘোষ
/ম/ — দ্বৌষ্ঠ, নাসিক্য, সঘোষ
/ন/ — দন্তমূলীয়, নাসিক্য, সঘোষ
/ণ/ — মূর্দ্ধন্য, নাসিক্য, সঘোষ
/ঙ/ — কণ্ঠ্য, নাসিক্য, সঘোষ
/ৰ/ — দন্তমূলীয় , কম্পিত , সঘোষ
/ল/ — দন্তমূলীয়, পার্শ্বিক, সঘোষ
/ল়/ — মূর্দ্ধন্য , পার্শ্বিক, সঘোষ
/ৱ/ — দ্বৌষ্ঠ, অর্দ্ধস্বৰ, সঘোষ
/য়/ — তালব্য , অর্দ্ধস্বৰ, সঘোষ

উড়িয়া ভাষাৰ অর্দ্ধস্বৰ 'ৱ' আৰু 'য়' কেৱল মধ্য অৱস্থানতহে প্রয়োগ হয়। আদ্য আৰু অন্ত্য স্থানত ইহঁতৰ প্রয়োগ নাই। অৱশ্যে ধ্বনি ৰূপে ব্যৱহাৰ আছে যদিও 'ৱ'ৰ স্পষ্ট উচ্চাৰণ পোৱা নাযায়। দন্তমূলীয় আৰু মূর্দ্ধন্য দুই ধৰণে 'ল' ধ্বনিৰ উচ্চাৰণ কৰাটো উড়িয়া ভাষাৰ এক স্বতন্ত্র বৈশিষ্ট্য। ঙ, ণ আৰু ল় ধ্বনি শব্দৰ আদিত প্রয়োগ নহয়। তদুপৰি এই ভাষাৰ প্রায়বোৰ শব্দই স্বৰান্ত। ধাৰ কৰা শব্দৰ বাহিৰে আন শব্দৰ অন্ত্যস্থানত ব্যঞ্জন ধ্বনিৰ প্রয়োগ নহয়। উড়িয়া ভাষাৰ ব্যঞ্জনৰ প্রয়োগৰ নিদর্শন তলত দাঙি ধৰা হ'ল—

বিশিষ্ট ব্যঞ্জন বর্ণ	**আদ্য প্রয়োগ**	**মধ্য প্রয়োগ**
/প/	পইড়	বিপদ
/ফ/	ফল	চফা
/ব/	বিলুআ	জীব
/ভ/	ভটা	জিভা
/ত/	তালি	বতক
/থ/	থালি	পথিক

/দ/	দৰিদ্র	গদা
/ধ/	ধৰণী	অধম
/ট/	টকা	কটক
/ঠ/	ঠক	কাঠুৰিআ
/ড/	ডাল	পড়িব
/ঢ/	ঢম	পঢ়িব
/ছ/	ছটা	মাছি
/ঝ/	ঝগড়া	মাঝি
/ক/	কমলা	সকল
/খ/	খণ্ডা	আখি
/গ/	গছ	বাগ
/ঘ/	ঘৰ	অঘৰী
/চ/	চক	নাচি
/জ/	জট	আজি
/স/	সকুৰী	চাস
/হ/	হর্ষ	মহত
/ম/	মাছ	কমলা
/ন/	নাক	জনক
/ণ/		কণা
/ঙ/		মঙল
/ৰ/	ৰথ	ধৰণী
/ল/	লঙল	বিলুআ
/ল়/		কমলা়
/ৱ/		চৱা
/য়/		বয়স



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ উড়িয়া ভাষাৰ অর্দ্ধস্বৰ 'ৱ' আৰু 'য়' কোন অৱস্থানত প্রয়োগ হয়?

.....

.....

৭.৬ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ধ্বনিতত্ত্বৰ তুলনামূলকবিচাৰ

অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ধ্বনিতাত্ত্বিক বিচাৰ কৰিলে দেখা যায় যে এই তিনিওটা ভাষাৰ মাজতে অনেক সাদৃশ্যও আছে, বৈসাদৃশ্যও আছে। তিনিওটা ভাষাৰ সাদৃশ্যসমূহ এনে ধৰণৰ—

- তিনিওটা ভাষাৰে ব্যঞ্জন বর্ণমালাৰ আখৰসমূহ সংস্কৃতৰ আৰ্হিত অন্তর্ভুক্ত হৈছে। কিন্তু উচ্চাৰণত সেই সকলোবোৰ ব্যঞ্জন পোৱা নাযায়। সেয়েহে, অসমীয়া, বাংলা আৰু উড়িয়া তিনিওটা ভাষাৰে ব্যঞ্জন বর্ণমালাৰ আখৰ আৰু বিশিষ্ট ব্যঞ্জনধ্বনিৰ মাজত পার্থক্য সৃষ্টি হ'ল।
- তিনিওটা ভাষাতে সংস্কৃত বর্ণমালাত থকা এঘাৰটা স্বৰবর্ণ লিখিত ৰূপত ব্যৱহাৰ হয়।
- তিনিওটা ভাষাৰে উচ্চাৰিত স্বৰধ্বনি আৰু লিখিত ৰূপ বর্ণমালাৰ মাজত যথেষ্ট পার্থক্য আছে।
- তিনিওটা ভাষাৰে স্বৰধ্বনিৰ উচ্চাৰণৰ ক্ষেত্রত হ্রস্ব-দীর্ঘৰ পার্থক্য ৰক্ষিত হোৱা নাই।
- তিনিওটা ভাষাৰে স্বৰধ্বনিয়ে অনুনাসিকতা বহন কৰে আৰু অনুনাসিকতাই তিনিওটা ভাষাতে শব্দৰ অর্থ পৰিৱর্তন ঘটাব পাৰে।
- তিনিওটা ভাষাৰে বিশিষ্ট স্বৰধ্বনিসমূহক — উচ্চতা অনুসৰি উচ্চ, উচ্চ-মধ্য, নিম্ন-মধ্য আৰু নিম্ন এনেদৰে ভাগ কৰা হৈছে। অৱশ্যে উড়িয়া ভাষাত নিম্নমধ্য স্বৰধ্বনি নাই।
- অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি আঠোটা, বাংলা ভাষাৰ সাতোটা আৰু উড়িয়া ভাষাৰ ছটা। অসমীয়া ভাষাৰ বৈশিষ্ট্যসূচক এ' আৰু অ' ধ্বনি উড়িয়া ভাষাত নাই। বাংলাত কেৱল এ' -হে আছে, অ' অনুপস্থিত।
- তিনিওটা ভাষাত স্বৰবর্ণৰ বিপৰীতে গৌণ প্রতীকৰ প্রচলন আছে।
- সংস্কৃতৰ ঋ, ৯ আৰু ৯ বর্ণকেইটা তিনিওটা ভাষাৰে বর্ণলিপিৰ লুপ্ত হ'ল আৰু বাকীসমূহ স্বৰ লিখিত ৰূপত প্রচলিত হৈ থাকিল।
- 'অ' ধ্বনিটো অসমীয়া আৰু উড়িয়া ভাষাত নিম্নধ্বনি। কিন্তু বাংলাত ই নিম্নমধ্য ধ্বনি। অসমীয়া, বাংলা, উড়িয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহৰ মাজতো স্বৰধ্বনিৰ বাবে অনেক সাদৃশ্য আৰু বৈসাদৃশ্য দেখা যায়।

অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ পার্থক্যসমূহ তলত উল্লেখ কৰা হ'ল—

- সংস্কৃতৰ দন্ত্য আৰু মূর্দ্ধন্য ধ্বনিৰ উচ্চাৰণ অসমীয়াত নাই। ইয়াৰ পৰিৱর্তে অসমীয়া ভাষাত পোৱা যায় দন্তমূলীয় ধ্বনি। কিন্তু বাংলা আৰু উড়িয়া ভাষাত দন্ত্য আৰু মূর্দ্ধন্য ধ্বনি উচ্চাৰিত হয়।
- অসমীয়া ভাষাত ঘৃষ্ট ধ্বনিৰ উচ্চাৰণ নাই। চ, জ উষ্ম ৰূপেহে উচ্চাৰিত হয়। বাংলা আৰু উড়িয়া ভাষাত চ, জ ধ্বনিৰ উচ্চাৰণ ঘৃষ্ট।
- মূর্দ্ধন্য 'ণ' ধ্বনিৰ উচ্চাৰণ অসমীয়া আৰু বাংলা ভাষাত নাই। উড়িয়া ভাষাত এই ধ্বনি পোৱা যায়।

- পার্শ্বিক 'ল' ধ্বনিৰ দন্তমূলীয় উচ্চাৰণ অসমীয়া আৰু বাংলা ভাষাত পোৱা যায়। কিন্তু উড়িয়া ভাষাত এই দন্তমূলীয় 'ল'ৰ উপৰিও মূর্দ্ধন্য উচ্চাৰণৰ 'ল' ধ্বনি পোৱা যায়।
- বাংলা ভাষাত 'ছ' ধ্বনি দন্তমূলীয় তালব্য ৰূপে আৰু উড়িয়া ভাষাত তালব্য ৰূপে উচ্চাৰিত হয়। অসমীয়া ভাষাত ছ ধ্বনিৰ এনে উচ্চাৰণ নাই।
- অসমীয়া আৰু বাংলা ভাষাত ব্যঞ্জন ধ্বনিসমূহ শব্দৰ আদি, মধ্য, অন্ত্য তিনিওটা অৱস্থানতে প্রয়োগ হয়। কিন্তু উড়িয়া ভাষাত ধাৰ কৰা শব্দৰ বাহিৰে আনসমূহত অন্ত্য অৱস্থানত ব্যঞ্জন উচ্চাৰিত নহয়। কেৱল আদি আৰু মধ্য অৱস্থানতহে ব্যঞ্জন উচ্চাৰিত হয়।
- অসমীয়া ভাষাত শ, ষ, স— এই তিনিটা বর্ণৰ উচ্চাৰণৰ পার্থক্য নাই। কেৱল পশ্চতালব্য, অঘোষ উষ্ম স (x) ধ্বনিহে এই ভাষাত পোৱা যায়। উড়িয়া ভাষাত 'স'ৰ উচ্চাৰণ দন্তমূলীয় উষ্ম। আনহাতে বাংলা ভাষাত শ উচ্চাৰিত হয় দন্তমূলীয় তালব্য উষ্ম ৰূপে।
- অসমীয়া, বাংলা, উড়িয়া তিনিওটা ভাষাতে 'য' ধ্বনি বর্ণমালাত পোৱা যায়। কিন্তু উচ্চাৰণত 'য' অনুপস্থিত। অসমীয়াত কেৱল 'জ', বাংলাত জ, ঝ আৰু উড়িয়া ভাষাতো জ, ঝ উচ্চাৰিত হয়।
- অর্দ্ধস্বৰ 'ৱ' অসমীয়া ভাষাত স্পষ্টৰূপত পোৱা যায়। বাংলাত ই 'ব' ৰূপে উচ্চাৰিত হয়। উড়িয়া ভাষাত 'ৱ'ৰ প্রয়োগ আছে যদিও উচ্চাৰণত পোৱা নাযায়।

অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ মূল একে মাগধী প্রাকৃত হোৱা বাবে তিনিওটা ভাষাৰে ধ্বনিতাত্ত্বিক বিচাৰ কৰিলে স্বৰ আৰু ব্যঞ্জনৰ উচ্চাৰণ তথা প্রয়োগত ভালেমান সাদৃশ্য দেখা পোৱা যায়। কিন্তু ভাষাকেইটাৰ প্রচলন ক্ষেত্র চৌপাশৰ চুবুৰীয়া ভাষা বা অন্যান্য প্রভাৱৰ ফলত ইয়াত কিছু স্বতন্ত্র বৈশিষ্ট্য গঢ় লোৱাটো নিতান্তই স্বাভাৱিক। উদাহৰণস্বৰূপে অসমত ব্যাপকভাৱে প্রচলন থকা আর্যভিন্ন ভাষাৰ প্রভাৱত অসমীয়া ভাষাৰ আন মাগধীয় ভাষাত নথকা বহুকেইটা বৈশিষ্ট্য বিৰাজমান। এনে কাৰণৰ বাবেই একে মূল হোৱা সত্ত্বেও অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ধ্বনিৰ উচ্চাৰণ আৰু প্রয়োগৰ ক্ষেত্রত অনেক পার্থক্যও পৰিলক্ষিত হয়। অর্থাৎ তিনিওটা ভাষাৰ ধ্বনিতত্ত্বত সমধর্মী গুণ আৰু বিষমধর্মী গুণ দুয়োটাই বিৰাজমান।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ অসমীয়া ভাষাত ঘৃষ্ট ধ্বনিৰ উচ্চাৰণ আছেনে?

.....

.....



৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া, বাংলা আৰু উড়িয়া ভাষা যে একে মূলৰ পৰা উদ্ভৱ হোৱা ভাষা সেয়া আমি এই পাঠটিৰ পৰা গম পালোঁ।
- বাংলা আৰু উড়িয়া ভাষাৰ পৰিচয়মূলক টোকা আৰু বিকাশৰ ইতিহাস সম্পৰ্কে চমুকৈ আলোচনা কৰি প্ৰত্যেকটো ভাষাতে কেনেদৰে যুগ বিভাজন কৰা হয় সেই বিষয়ে সম্যক ধাৰণা লাভ কৰিলে।
- বাংলা, উড়িয়া ভাষাৰ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ বৈশিষ্ট্য তথা প্ৰয়োগ সম্পৰ্কে বিস্তৃত বিশ্লেষণ আগবঢ়োৱা হৈছে। ইয়াৰ সহায়েৰে আপুনি অসমীয়াৰ সমগোত্ৰীয় এই ভাষা দুটাৰ ধ্বনিতত্ত্ব সম্পৰ্কে ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ল।
- অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ধ্বনিতত্ত্বৰ তুলনামূলক বিশ্লেষণৰ জৰিয়তে সাদৃশ্য-বৈসাদৃশ্যসমূহ অধ্যায়টিত ফঁহিয়াই দেখুওৱা হৈছে।



৭.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৩); *ভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মানিক প্ৰকাশ।

২) গোস্বামী, উপেন্দ্ৰনাথ (২০০০); *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেন্সি।

৩) গোস্বামী, গোলোকচন্দ্ৰ (১৯৯৬); *অসমীয়া বৰ্ণ প্ৰকাশ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৪) গোস্বামী, গোলোকচন্দ্ৰ (১৯৮৭);*অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৫) ঠাকুৰ, নগেন (১৯৯৭); *পৃথিৱীৰ বিভিন্ন ভাষা;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৬) পাটগিৰি, দীপ্তি ফুকন (২০০৪); *অসমীয়া, বাংলা আৰু উড়িয়া ভাষা (তুলনামূলক অধ্যয়ন);* গুৱাহাটী ঃ বনলতা।

৭) পাঠক, ৰমেশ (২০০০); *অসমীয়া ভাষাৰ ইতিহাস;* গুৱাহাটী ঃ অসম একাডেমিক চেণ্টাৰ।

বাংলা গ্রন্থ ঃ

৮) চট্টোপাধ্যায়, সুনীতি কুমাৰ (১৯৯৬); *বাংলা ভাষাতত্ত্বের ভূমিকা;* কলকাতা ঃ কলকাতা বিশ্ববিদ্যালয়।

৯) মজুমদার, পরেশ চন্দ্র (১৯৯৩); *বাঙলা ভাষা পরিক্রমা (দ্বিতীয় খণ্ড);* কলকাতা ঃ দে'জ পাব্‌লিশিং।

ইংৰাজী গ্রন্থ ঃ

১০) Chatterji, S. K. (1979). *The Origin and Development of the Bengali Language.* London: Georege Allen & Unwin.

১১) Dutta Baruah, P. N. (1978). *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya (Ph.D. Thesis).* Guwahati: Gauhati University.

১২) Kakati, B. (2007). *Assamese its Formation and Development.* Guwahati: Lawyer's Book Stall.

৭.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বাংলা ভাষাৰ ইতিহাসক ইয়াৰ সাহিত্যিক নিদর্শনৰ ওপৰত নির্ভৰ কৰি তিনিটা প্রধান ভাগত ভাগ কৰা হৈছে— প্রাচীন বাংলা (খ্রীঃ দশম — খ্রীঃ দ্বাদশ শতিকা), মধ্য বাংলা (খ্রীঃ ত্রয়োদশ — খ্রীঃ ঊনবিংশ শতিকা) আৰু আধুনিক বাংলা (খ্রীঃ ঊনবিংশ শতিকাৰ পৰা বর্তমানলৈকে)।

২ নং প্রশ্নৰ উত্তৰ ঃ পণ্ডিতসকলে উড়িয়া ভাষা-সাহিত্যৰ যুগ বিভাজন তলত দিয়াৰ দৰে দেখুৱাইছে— প্রাক্ শাৱলা যুগ (খ্রীঃ নৱম — চতুর্দশ শতিকা), শাৱলা যুগ (খ্রীঃ পঞ্চদশ — ষোড়শ শতিকা), পঞ্চসখা যুগ (খ্রীঃ ষোড়শ — সপ্তদশ শতিকা), ৰীতি যুগ (খ্রীঃ সপ্তদশ — ঊনবিংশ শতিকা) আৰু আধুনিক যুগ (খ্রীঃ ঊনবিংশৰ পৰা বর্তমানলৈ)।

৩ নং প্রশ্নৰ উত্তৰ ঃ বাংলা ভাষাৰ বিশিষ্ট স্বৰধ্বনি আৰু আখৰৰ মাজত পার্থক্য আছে। স্বৰধ্বনি সাতটা— ই, এ', এ, আ, উ, ও, অ; কিন্তু লিপিমালাত আখৰ আছে এঘাৰটা — অ, আ, ই, ঈ, উ, ঊ, ঋ, এ, ঐ, ও, ঔ।

৪ নং প্রশ্নৰ উত্তৰ ঃ বাংলা ভাষাত 'য়' অর্দ্ধস্বৰৰ উচ্চাৰণ 'ইঅ'ৰ দৰে কৰা হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ উড়িয়া ভাষাৰ /আ/ ধ্বনিটোৰ উচ্চাৰণ কেন্দ্রীয়, নিম্ন, বিবৃত।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ উড়িয়া ভাষাৰ অৰ্দ্ধস্বৰ 'ৱ' আৰু 'য়' কেৱল মধ্য অৱস্থানতহে প্ৰয়োগ হয়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ নাই।



৭.১০ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ মূল কি?

খ) কোন সময়ৰ পৰা অসমীয়া, বাংলা আৰু উড়িয়া ভাষাই স্বকীয় ৰূপ ল'বলৈ আৰম্ভ কৰে?

গ) বাংলা ভাষাত 'য়' অৰ্দ্ধস্বৰৰ উচ্চাৰণ কেনেকুৱা?

ঘ) উড়িয়া ভাষাৰ অৰ্দ্ধস্বৰ 'ৱ' আৰু 'য়' কোন অৱস্থানত প্ৰয়োগ হয়?

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ দ্বিস্বৰ পোৱা যায়নে? আছে যদি দেখুৱাওক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক — বাংলা ভাষাৰ স্বৰধ্বনি, উড়িয়া ভাষাৰ স্বৰধ্বনি।

প্ৰশ্ন ৩ ঃ উড়িয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহৰ উচ্চাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাত উচ্চাৰিত ধ্বনি আৰু লিখিত ৰূপত ব্যৱহৃত বৰ্ণমালাৰ মাজত কিয় পাৰ্থক্য সৃষ্টি হ'ল আলোচনা কৰক।

প্ৰশ্ন ২ ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ পৰিচয়মূলক টোকা লিখি তিনিওটাৰে উদ্ভৱৰ ইতিহাস আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ স্বৰধ্বনিসমূহৰ বৰ্ণনা আগবঢ়াই তুলনামূলক আলোচনা যুগুত কৰক।

প্ৰশ্ন ৪ ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ব্যঞ্জনধ্বনিসমূহৰ তালিকাকেইখন উল্লেখ কৰি তুলনামূলক বিচাৰ আগবঢ়াওক।

প্ৰশ্ন ৫ ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ স্বৰ আৰু ব্যঞ্জনৰ প্ৰয়োগ কেনেদৰে হয় দেখুওৱাক।

*** ***** ***